**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। দেশৰ যুৱ সমাজ মাদকদ্ৰব্য মুক্ত, স্বাস্থ্যৱান আৰু নিৰ্দিষ্ট লক্ষ্য থকা হ'লেহে বিকশিত ভাৰতৰ দৰ্শন উপলব্ধি কৰিব পৰা যাব বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰকাশ কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি চলিত বৰ্ষত নতুন দিল্লীত হ'বলগীয়া ব্ৰিকছ শীৰ্ষ সন্মিলনৰ প্ৰতীক চিহ্ন, বিষয়বস্তু আৰু ৱেবছাইট মুকলি কৰে।

৩। ৭৯ বছৰ বয়সত দেহাৱসান ঘটা বিশিষ্ট সংগীত শিল্পী সমৰ হাজৰিকালৈ অসম চৰকাৰে মৰণোত্তৰভাৱে শিল্পী বঁটা প্ৰদান কৰিব বুলি মন্ত্ৰী বিমল বৰাই প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় চৰকাৰে সকলো স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনক আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু মেক ইন ইণ্ডিয়া ইন স্পোৰ্টচ সম্পৰ্কীয় সমিতি গঠন কৰিবলৈ পৰামৰ্শ দিছে।

আৰু

৫। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইণ্ডোৰ ষ্টেডিয়ামত আজি ইণ্ডিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব।

০০০০০০০

দেশৰ যুৱ সমাজ মাদকদ্ৰব্য মুক্ত, স্বাস্থ্যৱান আৰু নিৰ্দিষ্ট লক্ষ্য থকা হ'লেহে বিকশিত ভাৰতৰ দৰ্শন উপলব্ধি কৰিব পৰা যাব বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বিশ্ববিদ্যালয়সমূহৰ মাদকদ্ৰব্য মুক্ত শিবিৰ কাৰ্যসূচীত অংশ লৈ দিয়া ভাষণত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে কয়। তেওঁ এই কাৰ্যসূচীক চৰকাৰৰ নিচামুক্ত ভাৰত অভিযানৰ সৈতে অনুৰূপ বুলি উল্লেখ কৰে। শ্ৰীৰাধাকৃষ্ণণে কয় যে মাদক দ্ৰব্যৰ অপব্যৱহাৰ হৈছে এটা সামাজিক প্ৰত্যাহ্বান আৰু ই জনস্বাস্থ্যৰ প্ৰতি উদ্বেগজনক তথা দেশৰ জনসংখ্যাৰ বিভাজনৰ প্ৰতি ভাবুকিস্বৰূপ। মাদক দ্ৰব্যৰ পৰা সকলোৱে নিজকে আঁতৰাই ৰখাটো অতি প্ৰয়োজন বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে মাদক দ্ৰব্যৰ অপব্যৱহাৰ আৰু মাদক দ্ৰব্য ব্যৱহাৰৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মাদক দ্ৰব্যই মানুহৰ শাৰিৰীক আৰু মানসিক স্বাস্থ্যৰ ক্ষতি কৰে বুলিও শ্ৰীৰাধাকৃষ্ণণে উল্লেখ কৰে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি চলিত বৰ্ষত নতুন দিল্লীত হ'বলগীয়া ব্ৰিকছ শীৰ্ষ সন্মিলনৰ প্ৰতীক চিহ্ন, বিষয়বস্তু আৰু ৱেবছাইট মুকলি কৰে। নতুন দিল্লীত আজি সাংবাদিকৰ আগত ড০ জয়শংকৰে কয় যে এই শীৰ্ষ সন্মিলনত ভাৰতে গোলকীয় কল্যাণৰ মহান উদ্দেশ্যৰে ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ সম্ভাৱনীয়তাক একত্ৰিত কৰাৰ প্ৰয়াস কৰিব। তেওঁ কয় যে ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীয়ে চলিত বৰ্ষত ২০ বছৰ সম্পূৰ্ণ কৰিব আৰু এই সুদীৰ্ঘ পৰিক্ৰমাত ব্ৰিকছে উন্নয়নমূলক অৰ্থনীতি আৰু বিকশিত বজাৰৰ মাজত

সহযোগিতা অনাৰ গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে গঢ়ি উঠিছে। ড০ জয়শংকৰে লগতে উল্লেখ কৰে যে এই সময়ছোৱাত ব্ৰিকছে ইয়াৰ কাৰ্যসূচী আৰু সদস্যপদৰ সম্প্ৰসাৰণ কৰিছে। এই মঞ্চই জনসাধাৰণকেন্দ্ৰিক বিকাশ, আলোচনা আৰু ব্যৱহাৰিক সহযোগিতাৰ প্ৰসাৰত গুৰুত্ব দিয়াৰ লগতে পৰিৱৰ্তিত গোলকীয় বাস্তৱিকতাৰ প্ৰতি সঁহাৰি জনায় বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

অসমীয়া সংগীত জগতৰ এটি উজ্জ্বল নক্ষত্ৰ বিশিষ্ট সংগীত শিল্পী সমৰ হাজৰিকাৰ বিয়োগত অসমবাসীৰ মাজত শোকৰ ছাঁ পৰিছে। ৭৯ বছৰ বয়সত দেহাৱসান ঘটা শিল্পীগৰাকীৰ মৃত্যুত বিভিন্নজনে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁৰ নশ্বৰ দেহ সম্প্ৰতি গুৱাহাটীৰ নিজৰাপাৰৰ নিজা বাসগৃহত ৰখা হৈছে আৰু গুণমুগ্ধসকলে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰিছে। শিল্পীগৰাকীৰ নশ্বৰ দেহ আকাশবাণী গুৱাহাটীৰ চৌহদলৈ অনা হ'ব। শিল্পীগৰাকীৰ শেষকৃত্য নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব। শিল্পীগৰাকীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই গভীৰ শোক প্ৰকাশ কৰিছে। মন্ত্ৰী বিমল বৰাই প্ৰয়াত শিল্পীগৰাকীৰ বাসগৃহ উপস্থিত হৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰয়াত সমৰ হাজৰিকাক ৰাজ্য চৰকাৰে মৰণোত্তৰভাৱে শিল্পী বঁটা প্ৰদান কৰিব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

বাইট (বিমল বৰা)

উল্লেখযোগ্য যে, ভাৰতীয় খাদ্য নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী হাজৰিকাই অসমীয়া লোক জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষাক সুৰৰ মাধুৰ্যৰে জনসাধাৰণৰ হৃদয়লৈ লৈ গৈছিল। লোকসংগীত, আধুনিক গীত আৰু সাংস্কৃতিক চেতনাৰে সমৃদ্ধ হাজৰিকাৰ সৃষ্টিসমূহ হৈছে অসমীয়া সংগীত ভাণ্ডাৰৰ অমূল্য সম্পদ।

০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি লাক্ষাদ্বীপত অনুষ্ঠিত মাল্টিস্পেচিয়েলিটী যুটীয়া স্বাস্থ্য সেৱা শিবিৰৰ উদ্বোধনী অনুষ্ঠানত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত কয় যে নৌসেনাই আয়োজন কৰা এই বৃহৎ পৰিসৰৰ স্বাস্থ্য শিবিৰে ভিতৰুৱা অঞ্চলৰ নাগৰিকক গুণগত স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদানৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে। তেওঁ কয় যে স্বাস্থ্য পৰীক্ষা, যিকোনো ৰোগৰ আগতীয়া চিনাক্তকৰণ, সময়মতে চিকিৎসা পৰামৰ্শ তথা ঔষধৰ বিনামূলীয়া বিতৰণে দ্বীপটোত বাস কৰা সমুদায়সমূহৰ স্বাস্থ্য ভালে ৰখাত সহায় কৰিব।

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় নৱীকৰণযোগ্য শক্তি সংস্থা ইৰেনাৰ ১৬ সংখ্যক অধিৱেশনৰ কালি সামৰণি পৰে। তিনিদিনীয়া আলোচনাত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ১৫০০ ৰো অধিক মন্ত্ৰী, জ্যেষ্ঠ বিষয়াসকল, ব্যৱসায়ী আৰু অংশীদাকসকলেও অংশগ্ৰহণ কৰে। অধিৱেশন উদ্বোধন কৰি ইৰেনাৰ সঞ্চালক প্ৰধান ফ্ৰান্সেস্কো লা কেমেৰাই কেৱল জলবায়ু পৰিৱৰ্তনৰ সৈতে মোকবিলা কৰাই নহয় অৰ্থনৈতিক বৃদ্ধি, নিৰাপত্তা আৰু প্ৰতিযোগিতামূলক ক্ষমতা বৃদ্ধিৰ বাবে দেশসমূহক নৱীকৰণযোগ্য শক্তি কৌশল শক্তিশালী কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ভৱিষ্যতৰ অৰ্থনৈতিক শক্তি সম্ভৱপৰ নিম্নতম খৰচত পৰিষ্কাৰ, নিৰাপদ আৰু সুলভ শক্তি প্ৰদানৰ ওপৰত নিৰ্ভৰ কৰিব আৰু যিবোৰ দেশে আগতীয়াকৈ এই দিশত আগবাঢ়িব সেইবোৰ দেশে উৎপাদনশীলতাৰ স্থায়ী সুবিধা লাভ কৰিব। ভাৰতৰ হৈ কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ

যোশীয়ে অধিৱেশনত অংশগ্ৰহণ কৰি কৃষি  আৰু খাদ্য ব্যৱস্থাত নৱীকৰণযোগ্য শক্তিক একত্ৰিত কৰাৰ বাবে দেশৰ প্ৰচেষ্টাৰ ওপৰত আলোকপাত কৰে। ভাৰত এই সংস্থাৰ অন্যতম প্ৰতিস্থাপক সদস্য।

০০০০০০০০০

হিমাচল প্ৰদেশৰ চোলান জিলাত কালি সংঘটিত এটা বিধবংসী অগ্নিকাণ্ডত ৪ জন শ্ৰমিকে প্ৰাণ হেৰুৱায় আৰু ৫ জন সন্ধানহীন হয়। জিলাখনৰ আৰ্কীত থকা পুৰণি বাছ ষ্টেণ্ডৰ সমীপত দুৰ্ঘটনাতো ঘটে। জিলা প্ৰশাসন আৰু কেইবাটাও দলে উদ্ধাৰ আৰু সাহায্য অভিযানত অংশগ্ৰহণ কৰিছে। ভুক্তভোগী লোকসকল নেপালৰ নাগৰিক আছিল বুলি জানিব পৰা গৈছে। আজি পুৱা এন ডি আৰ এফৰ এটা দল আৰু এটা দগ স্কোৱাদে উদ্ধাৰ অভিযান পুনৰ আৰম্ভ কৰে। মহকোমা দণ্ডাধিশ আৰ্কী নিশান্ত টোমাৰে কৈছে যে উদ্ধাৰ হোৱা অৱশিষ্টৰ চিনাক্তকৰণ ডি এন এ পৰীক্ষাৰ প্ৰতিবেদন অহাৰ পাছতহে সম্ভৱ হ'ব। স্থানীয় বিধায়ক সঞ্জয় অবস্থীয়ে আজি দূৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি উদ্ধাৰ আৰু সাহায্য অভিযানৰ পৰ্যালোচনা কৰে। কেন্দ্ৰীয স্বাস্থ্যমন্ত্ৰী জগত প্ৰকাশ নাড্ডাই গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০০০

বাংলাদেশৰ ফেনী জিলাত দগণভূঞা উপ-জিলাত দেওবাৰে নিশা এজন ২৮ বছৰীয়া হিন্দু অটৰিক্সা চালক সমীৰ কুমাৰ দাসক নৃশংসভাৱে হত্যা কৰা হয় আৰু হত্যাকাণ্ডত জড়িত দূৰ্বৃত্তই ঘটনাস্থলীৰ পৰা তেওঁৰ বাহনখনৰ সৈতে পলায়ন কৰে। আৰক্ষী আৰু স্থানীয় সূত্ৰৰ পৰা জানিব পৰা মতে দগণ ভূঞা উপ-জিলা স্বাস্থ্য চৌহদৰ সমীপত তেওঁক দেশীয় নিৰ্মিত অস্ত্ৰ ব্যৱহাৰ কৰি তেওঁক চুৰিকাঘাট কৰা হয়। তেওঁৰ বেটাৰীচালিত অটৰিক্সাখনো দূৰ্বত্তই লৈ যায়। স্থানীয় ৰাইজে কালি পুৱতি নিশা ২ বজাত তেওঁৰ মৃতদেহ দক্ষিণ কৰিমপুৰ মুহুৰীবাৰীৰ সমীপত উদ্ধাৰ কৰে আৰু আৰক্ষীক খবৰ দিয়ে। দগণ ভূঞা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মহম্মদ ফৈজুল আজিমে কয় যে বৰ্তমানলৈ তদন্ত অব্যাহত হৈ আছে আৰু ঘটনাত জড়িত লোকসকলক চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰাৰ প্ৰচেষ্টা চলি আছে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে সকলো স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনক নিজৰ নিজৰ সংস্থাৰ ভিতৰত আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু মেক ইন ইণ্ডিয়া ইন স্পোৰ্টচ সম্পৰ্কীয় উৎসৰ্গীত সমিতি গঠন কৰিবলৈ পৰামৰ্শ দিছে। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে কয় যে এই সমিতিসমূহৰ গঠনে দেশৰ বিশ্বব্যাপী ক্ৰীড়া সংযোগ আৰু ক্ৰীড়া কূটনীতি শক্তিশালী কৰিব আৰু একে সময়তে আত্মনিৰ্ভৰ ভাৰতৰ সৈতে সংগতি ৰাখি ক্ৰীড়া থলুৱা সামৰ্থক উৎসাহ যোগাব। সমিতিখনত ফেডাৰেচনৰ জ্যেষ্ঠ সদস্য প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ, প্ৰশিক্ষক, গোলকীয় ক্ৰীড়া প্ৰশাসন আৰু কূটনীতিৰ অভিজ্ঞ ব্যক্তিসকল থাকিব।

০০০০০০০০০

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইণ্ডোৰ ষ্টেডিয়ামত আজি ইণ্ডিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব। দুবাৰকৈ অলিম্পিকৰ পদক বিজেতা পি ভি সিন্ধুৱে এই প্ৰতিযোগিতাত ভাৰতীয় দলক  নেতৃত্ব দিব। প্ৰতিযোগিতাত মহিলাৰ চিংগলছত মালৱিকা বাঞ্চোড় আৰু তন্‌ভী শৰ্মাই ভাৰতক প্ৰতিনিধিত্ব কৰিব। মহিলাৰ ডাবলচত তৃশা জল্লী আৰু গায়ত্ৰী গোপিচান্দে ভাৰতক প্ৰতিনিধিত্ব কৰিব। পুৰুষৰ চিংগলছৰ অপেনিং ৰাউণ্ডত লক্ষ্য সেন আৰু আয়ুষ ছেট্টী মুখামুখি হ'ব। একেদৰে পুৰুষৰ ডাবলচত বিশ্বৰ তৃতীয় স্থানৰ যুটী ছাত্বীকছাইৰাজ ৰনকীৰেড্ডী আৰু চিৰাগ ছেট্টীয়ে ২০২২ৰ দৰে এইবাৰো প্ৰতিযোগিতাৰ খিতাপ দখলৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

সমাপ্ত